# **REGIONAL NEWS UNIT,** ALL INDIA RADIO, GUWAHATI

**Date :** 22-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰীয় চৰকাৰে বিগত পাঁচটা বছৰত জলজীৱন অভিযান 'হৰ ঘৰ জল'ৰ অধীনত দেশত প্ৰায় ১১ কোটি ৭৫লাখ গ্ৰামীণ পৰিয়ালক খোৱাপানীৰ সংযোগ প্ৰদান কৰিছে। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰত জলশক্তি মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ভি সুমন্নাই আজি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ২০১৯ চনত এই অভিযান আৰম্ভ কৰাৰ সময়ত দেশৰ ৩ কোটি ২৩ লাখ গ্ৰামীণ পৰিয়ালতহে নলযোগে খোৱাপানীৰ সংযোগ প্ৰদান কৰা হৈছিল। সম্প্ৰতি দেশৰ ৭৭ শতাংশ গ্ৰামীণ পৰিয়ালতে নলযোগে খোৱাপানীৰ সংযোগ দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে প্ৰতিদিনে প্ৰতিগৰাকী ব্যক্তিৰ বাবে ৫৫ লিটাৰকৈ বিশুদ্ধ পানী নলযোগে প্ৰদান কৰা হৈছে বুলিও তেওঁ কয়। আনহাতে, এই আঁচনিৰ অধীনত যোগান ধৰা পানীৰ গুণগত মান নিৰ্ণয় কৰাৰ ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত সহায় কৰাৰ বাবে জে জে এম ৱাটাৰ কোৱালিটি মেনেজমেণ্ট ইনফ'ৰমেচন ছিষ্টেম শীৰ্ষক প'ৰ্টেল বিকশাই তোলা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। ৰাজ্যসমূহে প'ৰ্টেলযোগে পানীৰ মান, নমুনা সংগ্ৰহ, প্ৰতিবেদন, নিৰীক্ষণ আৰু পানীৰ উৎস সম্পৰ্কত জৰীপ কৰি দাখিল কৰিব পাৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক প্ৰতিখন গাঁৱৰ পৰাই ৫ গৰাকীকৈ মহিলাক পানীৰ মান পৰীক্ষা কৰি প'ৰ্টেলত দাখিল কৰাৰ বাবে প্ৰশিক্ষণ দিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

বিগত কেইটামান বছৰত দেশত নিবনুৱাৰ হাৰ উল্লেখনীয়ভাৱে হ্ৰাস পাইছে বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যমন্ত্ৰী শোভা কৰন্দলাজে আজি লোকসভাত প্ৰকাশ কৰে। তেওঁ কয় যে শেহতীয়া বাৰ্ষিক শ্ৰম জৰীপ প্ৰতিবেদন অনুসৰি ২০২০-২১ বৰ্ষত ১৫ বছৰৰ ঊৰ্ধৰ লোকৰ ক্ষেত্ৰত নিবনুৱাৰ হাৰ ৪ দশমিক ২ শতাংশৰ পৰা ২০২২-২৩ বৰ্ষত ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে। এই প্ৰতিবেদন অনুসৰি নিয়মীয়াকৈ দৰমহা লাভ কৰি থকা কৰ্মচাৰীসকলৰ শেহতীয়া সাপ্তাহিক স্থিতি অনুসৰি ২০২৩ চনৰ এপ্ৰিলৰ পৰা জুনলৈকে দৰমহা ২০ হাজাৰ টকাৰো অধিক হৈছেগৈ। ২০১৮ চনৰ একেই সময়ছোৱাত এই দৰমহা ১৬ হাজাৰ ৮৪৮ টকা আছিল বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপস্থিতিত আজি বঙাইগাঁও আৰু বিশ্বনাথ জিলাত ৰাজ্যত উৎপাদিত ধানৰ পৰা সুলভ মূল্যৰ দোকানত চাউল বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হয়। তেওঁ বঙাইগাঁৱৰ অসম ৰাজ্যক পন্যাগাৰ নিগমৰ ভঁৰালগৃহ চৌহদত বিকেন্দ্ৰীকৃত শস্য সংগ্ৰহ কেন্দ্ৰ মুকলি কৰে। এতিয়াৰে পৰা জিলাখনত কৃষকসকলৰ পৰা উপযুক্ত মূল্যত ক্ৰয় কৰা চাউল এই কেন্দ্ৰটোত মজুত কৰি ৰখা হ'ব। পৰৱৰ্তী সময়ত ইয়াৰ পৰাই স্থানীয় পাইকাৰী, গ্ৰাহক সমবায় সমিতিৰ জৰিয়তে সুলভ মূল্যৰ দোকানসমূহক যোগান ধৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত ৰেচন কাৰ্ড থকা ৮৬ শতাংশ ৰাইজক ৰাজ্যত উৎপাদিত চাউল সুলভ মূল্যত বিতৰণ কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে স্থানীয় কৃষকৰ পৰা সংগ্ৰহ কৰা ধানৰ পৰা উৎপাদন কৰা চাউল সুলভ মূল্যৰ দোকানত যোগান ধৰি ৰেচন কাৰ্ডৰ জৰিয়তে হিতাধিকাৰীৰ মাজত বিতৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বঙাইগাঁও আৰু বিশ্বনাথ জিলাৰ পিছত পৰ্যায়ক্ৰমে অসমৰ আন ১০ খন জিলাত এই প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

০০০০০০০

শ্বিলঙৰ নিযুক্তি কাৰ্যালয়ে কাইলৈৰ পৰা অহা ২৭ জুলাইলৈ অসমৰ কেইবাখনো জিলাৰ নিৰ্বাচিত প্ৰাৰ্থীৰ বাবে শোণিতপুৰৰ মিছামাৰী সামৰিক ঘাটিত অগ্নিবীৰ নিযুক্তি সমাৰেশৰ আয়োজন কৰিছে। যোৱা এপ্ৰিল-মে' মাহত দেশজুৰি অনুষ্ঠিত প্ৰৱেশ পৰীক্ষাত শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁও জিলাৰ উত্তীৰ্ণ প্ৰাৰ্থীয়ে এই নিযুক্তি সমাৰেশত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীসকলে শাৰীৰিক সক্ষমতা আৰু স্বাস্থ্য পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। স্বাস্থ্য পৰীক্ষাত অনুতীৰ্ণ প্ৰাৰ্থীসকলক পৰ্যালোচনৰ বাবে তেজপুৰৰ সামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হ'ব।

০০০০০০০০০

অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰী গোচৰত আজি বিশেষ ন্যায়াধীশৰ আদালতে ৩২ জন অভিযুক্তক দোষী সাব্যস্ত কৰে। দীৰ্ঘদিন ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আদালতে আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালৰ লগতে প্ৰাক্তন দুই সদস্য চামেদুৰ ৰহমান, বসন্ত কুমাৰ দলে আৰু ২৯ জন কৃষি উন্নয়ন বিষয়া পদত নিযুক্তি লাভ কৰা প্ৰাৰ্থীক ধনৰ বিনিময়ত চাকৰি লোৱা বিচাৰত দোষী সাব্যস্ত কৰে। দোষী সাব্যস্ত হোৱা সকলে লাভ কৰিবলগীয়া শাস্তি সমূহ আদালতে কাইলৈ শুনানি গ্ৰহণ কৰিব। আনহাতে তথ্য প্ৰমাণৰ অভাৱত ১১ জন অভিযুক্তক আদালতে দোষমুক্ত হিচাপে ঘোষণা কৰিছে। উল্লেখযোগ্য যে ৰাকেশ কুমাৰ পাল অধ্যক্ষ হৈ থকা সময়ত কৃষি উন্নয়ন বিষয়া নিযুক্তিৰ নামত ব্যাপক ধন লেনদেনৰ অভিযোগ তুলি এগৰাকী প্ৰাৰ্থীয়ে ২০১৭ চনত ভঙাগড় থানাত এজাহাৰ দাখিল কৰিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ ভিত্তিত ৰাকেশ কুমাৰ পাল সহ কেইবাজনো অভিযুক্তক ভঙাগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইয়াৰ পিছত আদালতে দীৰ্ঘদিন ধৰি বিভিন্ন সাক্ষীৰ ভাষ্য গ্ৰহণ কৰি গোচৰৰ ৰায়দান দিয়ে।

০০০০০০০০০

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত কাইলৈ নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় মহিলা দলটোৱে এতিয়ালৈকে ৪ পইণ্ট লাভ কৰি শৃংখলাটোত আগবাঢ়ি আছে। প্ৰতিযোগিতাত ভাৰতে কালি সংযুক্ত আৰব আমেৰিক ৭৮ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে ৬৬ ৰান আৰু উইকেট কিপাৰ ৰিছা ঘোষে ৬৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত উই এ ই-এ নিৰ্ধাৰিত ২০ অ'ভাৰত ৭টা উইকেট হেৰুৱাই ১২৩ ৰানহে কৰিবলৈ সক্ষম হয়।

০০০০০০০

**সমাপ্ত**